**Post Graduate Department of Assamese, B.N. College, Dhubri**

**Pre-Final Examination – 2022**

**M.A 4th Semester**

**Paper: ASM-4026 (Applied Linguistics)**

**Time- 3 Hours** **Full Marks – 80**

**The figures in the margin indicate full marks for the questions**

**১/ যিকোনো দহটা প্ৰশ্নৰ উত্তৰ লিখিবাঃ** ১×১০=১০

(ক) ভাষা মানে কি ?

(খ) বাক্ বিন্যাস বা কথা বিন্যাস কাক বোলে ?

(গ) প্ৰথম ভাষা মানে কি বুজা ?

(ঘ) ভাষা শিক্ষা বা আহৰণৰ কৌশল কেইটা আৰু কি কি ?

(ঙ) শিশুৱে কেই বছৰত ভাষা আয়ত্ত কৰিবলৈ সক্ষম হয় ?

(চ) Lexicon মানে কি ? ই কোন ভাষাৰ শব্দ ?

(ছ) একভাষিক অভিধান মানে কি ?

(জ) অভিধান কাক বোলে ?

(ঝ) এখন অসমীয়া দ্বিভাষিক অভিধানৰ নাম লিখা।

(ঞ) শ্ৰৱণ-কৌশল মানে কি ?

(ট) সৰৱ পাঠ কাক বোলে ?

(ঠ) Oxford English Dictionary খন প্ৰণয়ন কৰোতে কেইবছৰ লাগিছিল ?

(ড) চিত্ৰ অভিধান কি ?

(ঢ) ব্যঞ্জন বৰ্ণমালাৰ বৰ্ণবোৰ স্বৰান্তঃখণ্ডত (ৎ) বৰ্ণটো কি ?

(ণ) 'ৎ' (খণ্ড ত) যুক্ত অৱস্থাত 'স'ৰ উচ্চাৰণ 'চ'ৰ লেখীয়া হয় - উদাহৰণ দিয়া।

**২/ যিকোনো দহটা প্ৰশ্নৰ উত্তৰ লিখিবাঃ** ২×১০=২০

(ক) ভাৱ আৰু ভাষাৰ মাজত সম্বন্ধ কি ?

(খ) অভিধান তত্ত্ব মানে কি বুজাই দিয়া।

(গ) অভিধান শব্দটো কিদৰে সাধিত হৈছে ভাঙি দেখুওৱা।

(ঘ) সমাজ ভাষা বিজ্ঞান কাক বোলে ?

(ঙ) প্ৰবিষ্টি মানে কি ? কোন ভাষাৰ পৰা শব্দটো অসমীয়াত গ্ৰহণ কৰা হৈছে ?

(চ) মনস্তাত্ত্বিক ভাষা বিজ্ঞান কাক বোলে ?

(ছ) অবয়ৱৰ ফালৰ পৰা অভিধানক কেই প্ৰকাৰ ভাগত ভগাব পাৰি ?

(জ) বৈদ্যুতিন অথবা নৰস (Software) অভিধান কি ?

(ঝ) 'জুই' শব্দটোৰ দুটা প্ৰতিশব্দ লিখা।

(ঞ) IPA ৰ পূৰ্ণৰূপ কি ? ইয়াৰ অসমীয়া অনূদিত ৰূপটো কি ?

(ট) A multilingual Dictionary of a Kannada-English-Tamil- Japanise অভিধান খন একভাষিক, দ্বিভাষিক নে বহুভাষিক অভিধান ?

(ঠ) অভিধানত প্ৰধান শব্দ বা শিতান শব্দ (Headword)

(ড) হেমকোষ আৰু চন্দ্ৰকান্ত অভিধান দুখন দ্বিভাষিক নে বহুভাষিক অভিধান ?

**৩/ যিকোনো চাৰিটা প্ৰশ্নৰ উত্তৰ কৰাঃ** **৪×৫=২০**

(ক) মাতৃভাষা আৰু প্ৰথম ভাষা একেনে খৰচি মাৰি আলোচনা কৰা।

(খ) দ্বিতীয় ভাষা বুলিলে কি বুজা ? দ্বিতীয় ভাষা আহৰণ আৰু প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা কৰা।

(গ) কম্পিউটাৰ অভিধান কাক বোলে ? কম্পিউটাৰ অভিধানৰ কৌশলগত দিশসমূহ আলোচনা কৰা।

(ঘ) সৰৱ পাঠৰ উপকাৰিতা সম্পৰ্কে আলোচনা কৰা লগতে নীৰৱ পাঠৰ অসুবিধা সমূহো উল্লেখ কৰিবা।

(ঙ) সাৰলীল আৰু অসাৰলীল কথোপকথন কাক বোলে - উদাহৰণেৰে সৈতে বুজাই লিখা।

(চ) প্ৰয়োগ ভাষা বিজ্ঞান কাক বোলে থুলমূলকৈ আলোচনা কৰা।

**৪/ যিকোনো তিনিটাপ্ৰশ্নৰ উত্তৰ লিখিবাঃ** **১০×৩=৩০**

(ক) ভাষা শিক্ষা বা ভাষা আহৰণৰ কৌশল সম্পৰ্কে বহলাই আলোচনা কৰা।

(খ) অভিধান প্ৰণয়নৰ কৌশল সম্পৰ্কে বিতংভাৱে আলোচনা কৰা।

(গ) সমাজ ভাষা বিজ্ঞানৰ সূত্ৰ বুলিলে কি বুজা ? বিকল্পসূত্ৰ, অনুক্ৰমসূত্ৰ আৰু সংগতিসূত্ৰ কাক বোলে উদাহৰণেৰে সৈতে আলোচনা কৰা।

(ঘ) প্ৰকৃতিৰ ফালৰ পৰা অভিধানক কেইটা ভাগত ভগাব পাৰি- প্ৰতিটো ভাগৰে চমু বিৱৰণ দিয়া।

(ঙ) শিশুৱে দ্বিতীয় ভাষা হিচাপে ইংৰাজী ভাষা আহৰণৰ ক্ষেত্ৰত কি কি সমস্যাৰ সন্মুখীন হ'বলগীয়া হয় বহলাই আলোচনা কৰা।

(চ)আৰম্ভণিৰ পৰা বৰ্তমানলৈকে অসমীয়া অভিধানৰ এক ইতিহাস দিবৰ চেষ্টা কৰা।

************

**Post Graduate Department of Assamese, B.N. College, Dhubri**

**Pre-Final Examination – 2022**

**M.A 4th Semester**

**Paper: ASM-4046 (Assamese Short Story: 1892-2015)**

**Time- 3 Hours** **Full Marks – 80**

**The figures in the margin indicate full marks for the questions.**

**১/ অতি চমু উত্তৰ কৰিবাঃ** **১×১০=১০**

(ক) প্ৰথম অসমীয়া চুটিগল্পটোৰ নাম কি ?

(খ) চৈয়দ আব্দুল মালিক কোন যুগৰ গল্পকাৰ ?

(গ) আৱাহন কাকত কিমান চনত প্ৰকাশ পায় ?

(ঘ) 'হৰিনাথ' চৰিত্ৰটো কোনটো গল্পৰ চৰিত্ৰ ?

(ঙ) ভবেন্দ্ৰনাথ শইকীয়াই কোনটো গল্পৰ জৰিয়তে গল্পকাৰৰূপে আত্মপ্ৰকাশ কৰিছিল ?

(চ) লক্ষ্মীনাথ বেজবৰুৱাৰ 'জয়ন্তী' গল্পটিৰ কাহিনীভাগ কেইটা ভাগত বিভক্ত ?

(ছ) ভবেন্দ্ৰনাথ শইকীয়াৰ 'গ্ৰহণ' গল্পৰ কেন্দ্ৰীয় চৰিত্ৰটিৰ নাম কি ?

(জ) নিৰুপমা বৰগোহাঞিঃ কোন যুগৰ গল্পকাৰ ?

(ঝ) 'ৰাং কুকুৰৰ টুপী' গল্পটোৰ ৰচক কোন ?

(ঞ) যুদ্ধোত্তৰ যুগৰ এজন গল্পকাৰৰ নাম লিখা।

**২/ চমু উত্তৰ কৰিবাঃ** **২×১০=২০**

(ক) 'চক্ৰৱৎ' গল্পটোৰ নামকৰণৰ তাৎপৰ্য কি ?

(খ) চৈয়দ আব্দুল মালিকৰ দুখন গল্পপুথিৰ নাম লিখা।

(গ) নিৰুপমা বৰগোহাঞিৰ গল্পৰ দুটি বৈশিষ্ট্য উল্লেখ কৰা।

(ঘ) ড° নগেন শইকীয়াই কিমান চনত কোনখন গ্ৰন্থৰ বাবে সাহিত্য একাডেমি বঁটা লাভ কৰিবলৈ সক্ষম হয় ?

(ঙ) সৌৰভ কুমাৰ চলিহা ৰচিত দুখন গল্পপুথিৰ নাম লিখা।

(চ) 'জয়ন্তী' গল্পটিৰ নাৰী চৰিত্ৰ জয়ন্তীৰ দুটা গুণৰ কথা উল্লেখ কৰা।

(ছ) 'নিৰ্বান্ধৱ' গল্পটোৰ মূল চৰিত্ৰটোৰ নাম কি ? তেওঁ ইনলেণ্ড লেটাৰ কাৰ্ডখনৰ ওপৰত লিখা ঠিকনাটো কি আছিল ?

(জ) জেহিৰুল হুছেইনৰ প্ৰথম গল্প সংকলন খনিৰ নাম কি ? আৰু এইখন কিমান চনত প্ৰকাশ পায় ?

(ঝ) অপূৰ্ব শৰ্মাৰ 'বাঘে টাপুৰ ৰাতি' গল্পটিত মূলত কি বিষয় ফুটি উঠিছে ?

(ঞ) ভবেন্দ্ৰনাথ শইকীয়া ৰচিত দুখন গল্পপুথিৰ নাম উল্লেখ কৰা।

**৩/ চমুটোকা লিখাঃ (যিকোনো চাৰিটা)** **৫×৪=২০**

(ক) জাতীয়তাবোধ আৰু লক্ষ্মীনাথ বেজবৰুৱা।

(খ) উত্তৰ আধুনিকতাবাদ আৰু অসমীয়া চুটিগল্প।

(গ) ভবেন্দ্ৰনাথ শইকীয়াৰ গল্প-ৰীতিৰ বৈশিষ্ট্য।

(ঘ) সৌৰভ কুমাৰ চলিহাৰ গল্পৰ ভাষা।

(ঙ) লক্ষ্মীধৰ শৰ্মাৰ গল্পত নাৰীমনৰ ৰূপায়ণ।

**৪/ তলৰ যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ কৰিবাঃ** **১০×৩=৩০**

(ক) আৱাহন যুগৰ গল্পকাৰ লক্ষ্মীধৰ শৰ্মাৰ 'ব্যৰ্থতাৰ দান' গল্পত নাৰীমনৰ ৰূপায়ণ সম্পৰ্কে বিশদভাৱে আলোচনা কৰা।

(খ) চৈয়দ আব্দুল মালিকৰ 'প্ৰাণ পোৱাৰ পিছত' গল্পটোৰ কোনবোৰ বৰ্ণনাই গল্পটোক শিথিলবন্ধী কৰি তুলিছে বিচাৰ কৰা।

(গ) নিৰুপমা বৰগোহাঞিৰ 'এনথ্ৰপলজিৰ সপোনৰ পাছত' গল্পটিত নাৰীমনৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াবোৰ কেনেদৰে প্ৰকাশ পাইছে আলোচনা কৰা।

(ঘ) অপূৰ্ব শৰ্মাৰ 'বাঘে টাপুৰ ৰাতি' গল্পটিৰ প্ৰতীকী ব্যঞ্জনা আৰু জীৱনৰ ৰহস্যময়তা কেনেদৰে উপস্থাপিত হৈছে তাৰ এটি বিশ্লেষণ আগবঢ়োৱা।

(ঙ) মনোজ কুমাৰ গোস্বামীৰ 'নিৰ্বান্ধৱ' গল্পটিত আধুনিক জীৱনৰ নিসংগতাবোধ কেনেদৰে প্ৰকাশ পাইছে বিশদভাৱে আলোচনা কৰা।

******************